# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
HEADLINE

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সংসদত এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট দাখিল কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫-২৬ চনৰ কেন্দ্ৰীয় বাজেটে ১৪০ কোটি জনতাৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰাৰ বাবে থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে বুলি প্ৰকাশ কৰিছে।

৩। কিতাপ পঢ়া মাথো অভিৰুচিয়ে নহয়, বৰং পৰিৱৰ্তনকাৰী অভিজ্ঞতা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

৪। হামাছে ইজৰাইলৰ সৈতে থকা যুদ্ধ বিৰতি চুক্তিৰ অধীনত আজি দক্ষিণ গাজা অঞ্চলত তিনিজন বন্দীক ৰেড ক্ৰছৰ হাতত অৰ্পণ কৰে।

*আৰু*

৫। হায়দৰাবাদ টুফানছ আজি ৰুৰকেল্লাৰ বীৰছা মুণ্ডা ষ্টেডিয়ামত হ'বলগীয়া হকী ইণ্ডিয়া লীগ প্ৰতিযোগিতাৰ ফাইনেলত শ্ৰাচী ৰাঢ় বেংগল টাইগাৰ্ছৰ সন্মুখীন হ'ব।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সংসদত এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট দাখিল কৰে। বাজেট দাখিল কৰি শ্ৰীমতী সীতাৰমণে ১২ লাখ টকা পৰ্যন্ত আয়ৰ ক্ষেত্ৰত কোনো ধৰণৰ কৰ প্ৰযোজ্য নহ'ব বুলি ঘোষণা কৰে। তেওঁ লগতে কয়, যে ৭৫ হাজাৰ টকাৰ ষ্টেণ্ডাৰ্ড ডিডাকছনৰ ফলত বেতনভোগীসকলৰ বাবে বছৰি ১২ লাখ ৭৫ হাজাৰ টকা পৰ্যন্ত কোনো ধৰণৰ আয়কৰ বলৱৎ নহ'ব। নতুন কৰ ব্যৱস্থাত কৰৰ নতুন খলপ প্ৰৱৰ্তনৰ কথা ঘোষণা কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে চাৰিলাখ টকা পৰ্যন্ত আয়ৰ ক্ষেত্ৰত কোনো কৰ প্ৰযোজ্য নহ'ব। বছৰি চাৰিৰ পৰা ৮ লাখ টকা উপাৰ্জন কৰা ব্যক্তিসকলে ৫ শতাংশ আৰু ৮ৰ পৰা ১২ লাখ টকা উপাৰ্জন কৰা সকলে ১০ শতাংশ কৰ আদায় দিব লাগিব। বিত্ত মন্ত্ৰী সীতাৰমণে ১২ৰ পৰা ১৬ লাখ টকা আয় গোটৰ বাবে ১৫ শতাংশ আৰু ১৬ৰ পৰা ২০ লাখ টকা আয় গোটৰ বাবে ২০ শতাংশ কৰৰ কথা ঘোষণা কৰে। একেদৰে ২০ৰ পৰা ২৪ লাখ টকা উপাৰ্জন কৰা ব্যক্তিসকলে ২৫ শতাংশ আৰু ২৪ লাখৰ অধিক উপাৰ্জন কৰা সকলে ৩০ শতাংশ কৰ আদায় দিব লাগিব। বিত্ত মন্ত্ৰীগৰাকীয়ে কয়, যে নতুন কৰ গাঠনিৰ ফলত মধ্যবিত্ত শ্ৰেণীৰ কৰৰ বোজা লাঘব হ'ব আৰু তেওঁলোকৰ হাতলৈ অধিক ধন আহিব। ইয়াৰ ফলত পৰিয়ালসমূহৰ ব্যয় সামৰ্থ, সঞ্চয় আৰু বিনিয়োগ বৃদ্ধি পাব। বাজেটত জ্যেষ্ঠ নাগৰিকৰ বাবে সুদৰ ক্ষেত্ৰত কৰ হ্ৰাসকৰণৰ সীমা ৫০ হাজাৰৰ পৰা এক লাখ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। একেদৰে ঘৰ ভাৰাৰ ক্ষেত্ৰত উৎসতে কৰ্তন কৰা কৰৰ ক্ষেত্ৰত বাৰ্ষিক সীমা  দুই লাখ ৪০ হাজাৰৰ পৰা ৬ লাখ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ দিয়া হৈছে।

একেৰাহে অষ্টমবাৰৰ বাবে বাজেট দাখিল কৰি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে এইবাৰৰ বাজেটত বিকাশ ত্বৰান্বিত কৰা, সৰ্বাত্মক উন্নয়ন, ব্যক্তিগত খণ্ডৰ বিনিয়োগ ত্বৰান্বিত কৰা আৰু মধ্যবিত্ত শ্ৰেণীৰ ব্যয় ক্ষমতা বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰা হৈছে।০

০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে মুঠ ৫০০ কোটি টকা ব্যয়ৰে শিক্ষাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ উৎকৰ্ষসাধন কেন্দ্ৰ স্থাপনৰ কথা ঘোষণা কৰিছে। সংসদত আজি ২০২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰি শ্ৰীমতী সীতাৰমণে কয়, যে চৰকাৰে ২০২৩ চনত কৃষি, স্বাস্থ্য আৰু বহনক্ষম মহানগৰৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ তিনিটা উৎকৰ্ষসাধন কেন্দ্ৰৰ কথা ঘোষণা কৰিছে। ভৱিষ্যৎ প্ৰজন্মৰ ষ্টাৰ্ট আপ প্ৰতিষ্ঠানৰ বাবে থকা পুঁজিৰ পৰা কাৰিকৰী নিধিৰ সম্ভাৱনা অন্বেষণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কৈছে যে, ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কৃষি, গ্ৰামাঞ্চলৰ সমৃদ্ধি, নগৰীয়া বিকাশ আৰু নিৰন্তৰ সংস্কাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। নতুন দিল্লীত আজি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিত্ত মন্ত্ৰীগৰাকীয়ে কয়, যে বাজেটত বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰা সন্দৰ্ভত ভালেমান ব্যৱস্থাৰ কৰা উল্লেখ কৰা হৈছে। তেওঁ কয়, যে সংস্কাৰৰ ছটা নিৰ্দিষ্ট বিষয়ৰ কথা বাজেটত উল্লেখ কৰা হৈছে আৰু চৰকাৰে সংস্কাৰৰ কাৰ্যসূচী অব্যাহত ৰাখিব। বাজেটত স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ স্বাৰ্থৰ প্ৰতি অগ্ৰাধিকাৰ দিয়া হৈছে বুলি শ্ৰীমতী সীতাৰমণে প্ৰকাশ কৰে। তেওঁ, কয় যে জনসাধাৰণৰ মতামতৰ প্ৰতি সঁহাৰি জনাই যোৱা জুলাইত ঘোষণা কৰা আয়কৰ সৰলিকৰণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই সন্দৰ্ভত অহা সপ্তাহত সংসদত নতুন আয়কৰ বিধেয়ক উত্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয়, যে শুল্কব্যৱস্থা সৰলীকৰণ কৰা হৈছে অথবা হ্ৰাস কৰা হৈছে। তেওঁ লগতে কয়, যে কৰ ৰেহাই সামী ৭ লাখৰ পৰা ১২ লাখলৈ বৃদ্ধি কৰাৰ ফলত এক কোটিৰো অধিক লোক উপকৃত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫-২৬ চনৰ কেন্দ্ৰীয় বাজেটে ১৪০ কোটি জনতাৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰাৰ বাবে থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে বুলি প্ৰকাশ কৰিছে। বাজেট সম্পৰ্কত দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে দেশৰ  বিকাশৰ যাত্ৰাৰ বাবে এইবাৰৰ বাজেটক এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলিও অভিহিত কৰিছে। তেওঁ কয়, যে এই বাজেট প্ৰতিগৰাকী ভাৰতীয়ৰ সপোন পূৰণ কৰিছে। তেওঁ লগতে এই বাটেজে সঞ্চয়, বিনিয়োগ, সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লগতে দেশৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই ২০২৫ বৰ্ষৰ দেশৰ বাজেটক আদৰণি জনাইছে। তেওঁ কৈছে যে এইবাৰৰ বাজেট দেশৰ ১৪০ কোটি জনতাক আশা-আকাংক্ষা আৰু সপোনক বাস্তৱায়িত কৰাৰ ভৱিষ্যদৰ্শী পৰিকল্পনা। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত তেওঁ কয়, যে চাৰিটা চালিকা শক্তি– কৃষি, অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, বিনিয়োগ আৰু ৰপ্তানিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি এইবাৰৰ বাজেটত দুখীয়া, যুৱ, কৃষক আৰু

নাৰীসকলৰ আশা-আকাংক্ষা পূৰণ কৰাৰ লগতে কোনো ব্যক্তি যাতে প্ৰগতিৰ পথত পিছ পৰি নৰয় সেয়া সুনিশ্চিত কৰা হ'ব। তেওঁ লগতে কয়, যে এই বাজেটে শক্তিশালী, সমৃদ্ধ আৰু আত্মনিৰ্ভৰশীল ভাৰতৰ পুনৰনিৰ্মাণ প্ৰক্ৰিয়াক দিশ দিব।

ooooo

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ২০২৫-২৬ বৰ্ষৰ বাজেট ঘোষণা কৰা কপাহ উৎপাদনশীলতা অভিযানে কপাহৰ উৎপাদনে নহয় কপাহৰ মানো বৃদ্ধি কৰিব বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰী চৌহানে কয়, যে উচ্চ মানৰ কপাহ উৎপাদনৰ বাবে আঁহৰ প্ৰসংস্কৰণ আৰু দীৰ্ঘস্থায়ী প্ৰাকৃতিক আঁহ উৎপাদনক উদগনি যোগোৱাৰ বাবে আন্তঃগাঁঠনি সৃষ্টি কৰাৰ প্ৰয়াস কৰা হ'ব। তেওঁ লগতে জানিবলৈ দিয়ে যে, বিহাৰত মাখানা বোৰ্ড গঠনে মাখানা প্ৰসংস্কৰণৰ দৰে বিভিন্ন কাম কাজ কৰাত সহায়ক হ'ব।

ooooo

ভাৰতীয় বাণিজ্য আৰু উদ্যোগ সংঘই ২০২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ প্ৰতি আদৰণি জনাই বাজেটত পৰ্যটন আৰু সামুদ্ৰিক খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা বুলি উল্লেখ কৰিছে। আকাশবাণীৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত আজি ভাৰতীয় বাণিজ্য আৰু উদ্যোগ সংঘৰ অধ্যক্ষ হৰ্ষ বৰ্ধন আগৰৱালে কয়, যে কৰ হ্ৰাসকৰণ এইবাৰৰ বাজেটৰ মূল আকৰ্ষণৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে কৰ ৰেহাই ৭ লাখৰ পৰা ১২ লাখলৈ বৃদ্ধি কৰা হৈছে।

ooooo

ব্যক্তিগত কৰৰ আওতাৰ পৰা মধ্যবিত্ত শ্ৰেণীক প্ৰায় সম্পূৰ্ণ ৰূপে বাহিৰত ৰখাটো এইবাৰৰ বাজেটৰ সৰ্ববৃহৎ লাভ ৰূপে পৰিগণিত হৈছে বুলি ভাৰতীয় উদ্যোগ মহাসংঘৰ দেউলীয়া আৰু পৰিশোধ অক্ষমতা বিষয়ক কাৰ্যবাহিনীৰ অধ্যক্ষ চাৰ্দুল শ্ৰফে উল্লেখ কৰিছে।

আজি আকাশবাণীৰ সৈতে হোৱা এটা আছুতিয়া সাক্ষাৎকাৰত ভাৰতীয় উদ্যোগ মহাসংঘৰ ৰাষ্ট্ৰীয় কৃষি পৰিষদৰ সদস্য বি ত্যাগৰাজনে কয়, যে উপভোক্তা দ্ৰব্য আৰু বৈদ্যুতিন ক্ষেত্ৰৰ দিশৰ পৰা এইবাৰৰ বাজেট যথেষ্ট উৎসাহজনক। মধ্যবিত্ত শ্ৰেণীৰ হাতলৈ অধিক ধন অহাৰ ফলত উদ্যোগসমূহ লাভান্বিত হ'ব বুলিও তেওঁ মন্তব্য কৰে।

ooooo

কিতাপ পঢ়া মাথো অভিৰুচিয়ে নহয়, বৰং পৰিৱৰ্তনকাৰী অভিজ্ঞতা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি নতুন দিল্লী বিশ্ব গ্ৰন্থমেলা মুকলি কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ভিন ভিন ভাষা-সংস্কৃতিৰ গ্ৰন্থ পঢ়াৰ অভ্যাসে অঞ্চল আৰু সম্প্ৰদায়ৰ মাজত সেতু গঢ়ি তোলে। তেওঁ লগতে শিশুৰ বাবে কিতাপৰ ৰচনা আৰু প্ৰসাৰত গুৰুত্ব আৰোপ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। শৈশৱতে শিশুৰ মাজত গঢ়ি তুলিব পৰা ভাল অভ্যাসসমূহৰ ভিতৰত গ্ৰন্থৰ প্ৰতি ভালপোৱা অন্যতম বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। নেচনেল বুক ট্ৰাষ্ট আৰু শিক্ষা মন্ত্ৰালয়ে বিগত ৫ বছৰ ধৰি নতুন দিল্লী বিশ্ব গ্ৰন্থমেলাৰ আয়োজন কৰি আহিছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কিতাপ পঢ়াৰ সংস্কৃতিৰ প্ৰসাৰৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়োৱা অৱদানৰ ভূয়সী প্ৰশংসা কৰে।

00000

কেন্দ্ৰীয় বাজেট দাখিল কৰাৰ পাছত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ আৰু বিত্তমন্ত্ৰীয়ে বাজেট উত্থাপন কৰাৰ সময়ত কংগ্ৰেছ, সমাজবাদী পাৰ্টী আৰু ডি এম কেকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে মহাকুম্ভ মেলাৰ ঘটনাক লৈ প্ৰতিবাদ সাব্যস্ত কৰি অলপ সময়ৰ বাবে সদন ত্যাগ কৰে।

ৰাজ্য সভাৰ কামকাজো দিনটোলৈ স্থগিত ৰখা হৈছে। লোকসভাত বাজেট দাখিল কৰাৰ পাছত দুপৰীয়াৰ ভাগত উচ্চ সদনত বাজেটৰ প্ৰতিলিপি দাখিল কৰা হয় আৰু ইয়াৰ পাছতে সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়। সোমবাৰে সংসদৰ উভয় সদনৰ বৈঠক অনুষ্ঠিত হ'ব।

00000

হামাছে ইজৰাইলৰ সৈতে থকা যুদ্ধ বিৰতি চুক্তিৰ অধীনত আজি দক্ষিণ গাজা অঞ্চলত তিনিজন বন্দীক ৰেড ক্ৰছৰ হাতত অৰ্পণ কৰে। ২০২৩ বৰ্ষৰ ৭ অক্টোবৰত হামাছৰ নেতৃত্বত ইজৰাইলত হোৱা আক্ৰমণৰ সময়ত এই ব্যক্তিকেইগৰাকীক অপহৰণ কৰা হৈছিল। ইয়াৰ বিনিময়ত ইজৰাইলে ১৮০ জনতকৈও অধিক বন্দীক মুকলি কৰি দিব।

00000

হায়দৰাবাদ টুফানছ আজি ৰুৰকেল্লাৰ বীৰছা মুণ্ডা ষ্টেডিয়ামত হ'বলগীয়া হকী ইণ্ডিয়া লীগ প্ৰতিযোগিতাৰ ফাইনেলত শ্ৰাচী ৰাঢ় বেংগল টাইগাৰ্ছৰ সন্মুখীন হ'ব। খেলখন নিশা ৮ বাজিৰ ১৫ মিনিটত আৰম্ভ হ'ব। হায়দৰাবাদ টুফানছে ছুৰমা হকী ক্লাবক ৩-১ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। বেংগল টাইগাৰ্ছে তামিলনাডু ড্ৰেগনছ্‌ক পেনাল্টি শ্বুটা আউটৰ সহায়ত ৬-৫ গলত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

00000

সমাপ্ত